DJMC/ DAJ 03

বৈদ্যুতিক মাধ্যম

সাংবাদিকতা আৰু গণ সংযোগৰ ডিপ্লমা
অসমীয়া সাংবাদিকতাৰ ডিপ্লমা

পাঠ্যবিষয় ৩

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয়-বিশেষজ্ঞ মণ্ডলী

অধ্যাপক অভিজিত বৰা, গণ সংযোগ আৰু সাংবাদিকতা বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়

ড° অংকুৰণ দত্ত, সহযোগী অধ্যাপক তথা মুৰব্বী, সংযোগ আৰু সাংবাদিকতা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ

ড° তৃষা দুৰৰা বৰুৱা, সহকাৰী অধ্যাপক, (গণ সংযোগ), কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্বদ্যিালয়

প্রস্তুতি গোটৰ সদস্য

লেখক

অধ্যায় -1	তপন দত্ত, আকাশবাণী গুৱাহাটী
অধ্যায় -2	ড^0 অঞ্জুমন বৰা তেজপুৰ বিশ্ববিদ্যালয়
অধ্যায় -3	ড^0 অংকুৰণ দত্ত গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যায়- 4–6	নিহাৰীকা বুঢ়াগোহাঁই ছিকিম বিশ্ববিদ্যালয়

ভাষান্তৰকাৰী

অধ্যায়- 1–4	গীতাঞ্জলি মেধি
অধ্যায়- 5–6	ৰুমি চৌধুৰী

সম্পাদক

বিষয়বস্তু ঃ অধ্যায় ঃ 1–3
বাসুকি বেলাৱাদী,
সহযোগী আধ্যাপক, গণসংযোগ বিভাগ
হাইদৰাবাদ বিশ্ববিদ্যালয়

বিষয়বস্তু ঃ অধ্যায় ঃ 4–6
ড^0 স্মিতা মিশ্র, সহযোগী অধ্যপক
গণ সংযোগ বিভাগ, এছ জি টি বি খালচা কলেজ
দিল্লী বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা

ড^0 তৃষা দুৰৰা বৰুৱা

ভাষা

ড^0 নিভা ৰাণী ফুকন
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জুন, 2010 ÄÂ§দ্বিতীয় প্রকাশ ঃ জুলাই, 2021

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত ও প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা নতুন দিল্লীৰ **'দূৰ শিক্ষা পৰিষদৰ'** ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গে'ট, গুৱাহাটী- ৭৮১০১৭
মহানগৰ চৌহদ ঃ ৰাষ্ট্রীয় ঘাইপথ ৩৭, ৰেশম নগৰ, খানাপাৰা, বডোলেণ্ড গে'ষ্ট হাউচৰ কাষত, গুৱাহাটী - ৭৮১০২২
ৱেব ছাইট ঃ www.kkhsou.in

পাঠ্যবিষয় পৰিচয় ঃ

ইতিমধ্যে গণসংযোগ ধাৰণাটোৰ লগত জড়িত ব্যাপক ক্ষেত্রটোৰ বিষয়ে আপুনি কিছু কথা জানিলে। আপুনি 'শ্রব্য মাধ্যম' আৰু 'দৃশ্য শ্রব্য মাধ্যম'ৰ বিষয়েও কিছু কথা জানিলে। 'গণ সংযোগ' আৰু 'গণ মাধ্যম'ৰ ধাৰণাৰ লগত পৰিচিত হোৱা পাছত আপুনি কি প্রকাৰৰ সংযোগক গণ সংযোগ বোলে আৰু কোনবোৰ সঁজুলিক গণ মাধ্যম হিচাপে বিবেচনা কৰিব পাৰি সেই কথা গম পালে। ইয়াত আমি পঢ়ি অহা কথাখিনিকে দোহাৰিছো। টেলিফোন এটা গণ মাধ্যম নে? উত্তৰটো হ'ব নহয় কিয়নো তাঁৰৰ সিটো মূৰত কেৱল এজন ব্যক্তি থাকে আৰু শ্রোতা -দর্শকৰ সংখ্যা অধিক নহয়। 'ৰেডিঅ' গণ সংযোগৰ মাধ্যম নে গণ সংযোগৰ অনাতাঁৰ মাধ্যম? ইয়াৰ উত্তৰটো হ'ব 'হয়' কাৰণ ৰেডিঅ'ই সেই সকলোবিলাক চর্ত পূৰণ কৰে যাৰ বিষয়ে আমি ইয়াৰ পূর্বৱর্তী পাঠ্যবিষয়টোত উল্লেখ কৰি আহিছো।

সংযোগ প্রক্রিয়াত অনাতাঁৰ প্রচাৰণে এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে যিটো উন্নয়নৰ বাবে অতি প্রয়োজনীয়। এতিয়া আমি বাস কৰি থকা যুগটো হৈছে গণ সংযোগৰ যুগ। আমাৰ সমাজখন গণ মাধ্যমৰ ওপৰত ইমানেই নির্ভৰশীল যে চলিত শতিকাটোৰ আৰম্ভণিৰ সময়ছোৱাতো এনে এটা পৰিস্থিতিৰ কথা কল্পনা কৰা হোৱা নাছিল। এই নির্ভৰশীলতা উভয় ব্যক্তিগত আৰু সামাজিক স্তৰত প্রত্যক্ষ কৰিবলৈ পোৱা যায়। দূৰদর্শন, বাতৰি কাকত, ৰেডিঅ', আলোচনী আৰু কিতাপ অবিহনে আপোনাৰ জীৱন কেনেকুৱা হ'ব পাৰে কল্পনা কৰক চোন? তীব্র প্রবাহমান সোঁতৰ দৰে নীৰবচ্ছিন্ন গতিত লাভ কৰি থকা তথ্য আৰু মনোৰঞ্জনমূলক বা-বাতৰিৰ সোঁত বন্ধ হৈ গ'লহেতেন। জনপ্রিয় সংগীত, নাটক, খেল-ধেমালি, সংবাদ এই দীঘলীয়া তালিকাখন যেন অন্তহীন। তেতিয়া এই সকলোবোৰ তথ্যৰ বা-বাতৰি পোৱা অসম্ভৱ হ'লহেতেন। আধুনিক জীৱন যাত্রাত গণ মাধ্যমৰ যি প্রভাৱ তাৰ বিষয়ে আমি সকলোৱে জ্ঞাত। আমাৰ গণ মাধ্যমনো প্রকৃততে কেনে ধৰণৰ সেই বিষয়ে আমি ভালদৰে জানিব লাগিব, তাৰ কার্য প্রণালীনো কেনেকুৱা , তাৰ প্রভাৱ কেনেকুৱা আৰু তাৰ ওপৰত (প্রকৃতার্থত) আমাৰ কিমান নিয়ন্ত্রণ আছে — সেই বিষয়ে আমি ভাল দৰে জানিব লাগিব। নিঃসন্দেহে এই জটিল প্রশ্ন আৰু তাৰ তাৎক্ষণিক আৰু সৰল উত্তৰ নাই।

অসমীয়া সংবাদিকতাৰ ডিপ্লমাৰ অন্তর্গত সাংবাদিকতা আৰু গণ সংযোগৰ ডিপ্লমাত বৈদ্যুতিক মাধ্যমৰ এটা পাঠ্যবিষয় সন্নিবিষ্ট হৈছে (পাঠ্যবিষয়b 3)। ইয়াত ছটা অধ্যায় অন্তর্ভুক্ত হৈছে। সেই কেইটা হৈছে ক্রমে—

অধ্যায় 1 ঃ ৰেডিঅ'

অধ্যায় 2 ঃ টেলিভিছন

অধ্যায় 3 ঃ ফটোগ্রাফী

অধ্যায় 4 ঃ নব্য প্রচাৰ মাধ্যমৰ ধাৰণা

অধ্যায় 5 ঃ গণ সংযোগত কম্পিউটাৰৰ ব্যৱহাৰ

অধ্যায় 6 ঃ চলচিত্র অধ্যয়ন

প্রত্যেকটো অধ্যায়ত থকা শাখাসমূহে বৈদ্যুতিক মাধ্যমৰ লগত জড়িত বিভিন্ন দিশৰ আলোচনা আগবঢ়াইছে। এই আলোচনাৰ গুৰুত্ব আছে কিয়নো আজিৰ সময়ত দর্শকৰ বাবে বৈদ্যুতিক মাধ্যমটোৰ গুৰুত্ব অপৰিসীম। এই পাঠ্যবিষয়টোত আমি বৈদ্যুতিক মাধ্যম আৰু নতুন মাধ্যমৰ বিষয়ে আলোচনা কৰিম।

বিষয়সূচী

অধ্যায় 1 ঃ ৰেডিঅ'

এই অধ্যায়টোৰে আপোনাক ৰেডিঅ'ৰ সংজ্ঞা, ইয়াৰ বৈশিষ্ট্যসমূহ, গণ মাধ্যম হিচাপে ইয়াৰ গুৰুত্ব, ৰেডিঅ'ৰ আৱিস্কাৰৰ ইতিহাস আৰু বিশেষকৈ ভাৰতত ৰেডিঅ'ৰ প্ৰচলন আৰু এই বিধ অনাতাঁৰ মাধ্যমৰ বিকাশ কেনে তাৰ মনোজ্ঞ লেখ পাব। তদুপৰি ইয়াত অল ইণ্ডিয়া ৰেডিঅ'ৰ উদ্ভৱ আৰু বিকাশ, ইয়াৰ উদ্দেশ্য, সমূহীয়া ৰেডিঅ' (communitity radio)ৰ ধাৰণা,এফ এম ৰেডিঅ', ইত্যাদিৰ লগত জড়িত নানান দিশৰ আলোচনা অন্তৰ্ভুক্ত হৈছে।

অধ্যায় 2 ঃ টেলিভিছন

টেলিভিছন হৈছে পৃথিৱীৰ আতাইতকৈ জনপ্ৰিয় গণ মাধ্যম। গতিকে এই অধ্যায়টোত আমি টেলিভিছনৰ বৈশিষ্ট্যসমূহ, দৰ্শকৰ মাজত ইয়াৰ জনপ্ৰিয়তা আৰু প্ৰভাৱ, টেলিভিছন অনুষ্ঠানত সন্নিবিষ্ট হোৱা সংবাদ আৰু সাময়িক প্ৰসংগসমূহ, ভাৰতত টেলিভিছনৰ প্ৰসাৰ, ইত্যাদিৰ লগত পৰিচিত হ'ব পাৰিম।

অধ্যায় 3 ঃ ফটোগ্ৰাফী

এই অধ্যায়টোৰ অধ্যয়নৰ শেষত আপুনি ফটোগ্ৰাফীৰ ধাৰণাটোৰ সম্যক পৰিচয় লাভ কৰিব। ইয়াত আমি বিভিন্ন প্ৰকাৰৰ কেমেৰাৰ লগত পৰিচিত হ'ম। ইয়াত ষ্টিল কেমেৰা আৰু মুভী কেমেৰাৰ বিভিন্ন অংশৰ বৰ্ণনা আৰু ষ্টিল তথা মুভী কেমেৰাৰ মাজত থকা পাৰ্থক্যসমূহ গম পাব। তদুপৰি ইয়াত শ্বট আৰু কেমেৰা পৰিচালনাৰ বিভিন্ন নীতিসমূহৰ কথা আলোচিত হৈছে।

অধ্যায় 4 ঃ নব্য প্ৰচাৰ মাধ্যমৰ ধাৰণা

এই অধ্যায়টোত নব্য প্ৰচাৰ মাধ্যমৰ শিতানত কম্পিউটাৰ আৰু ইণ্টাৰনেটৰ প্ৰচলনে মানব সমাজক কেনে দৰে প্ৰভাৱিত কৰিছে তাৰ আলোচনা কৰা হৈছে। তদুপৰি এই দুটা নব্য প্ৰচাৰ মাধ্যমে আমাৰ জীৱনৰ প্ৰতিটো পদক্ষেপৰ লগত কি দৰে সাঙোৰ খাই গৈছে তাৰ লেখো এই অধ্যায়ত আগবঢ়োৱা হৈছে।

অধ্যায় 5 ঃ গণ সংযোগত কম্পিউটাৰৰ ব্যৱহাৰ

এই অধ্যায়টোত আমি কম্পিউটাৰ আৰু ইণ্টাৰনেটৰ লগত জড়িত অন্যান্য দিশসমূহৰ কথা আলোচনা কৰা হৈছে। ইয়াত গণ সংযোগ আৰু গণ মাধ্যমত দি দৰে কম্পিউটাৰ আৰু ইণ্টাৰনেটৰ ব্যৱহাৰ হয়, অনলাইন সাংবাদিকতা আৰু চাইবাৰ কাকত, ইত্যাদি নতুন নতুন বিষয় সমূহৰ আলোচনা অন্তৰ্ভুক্ত কৰা হৈছে।

অধ্যায় 6 ঃ চলচিত্ৰ অধ্যয়ন

গণ সংযোগৰ আতাইটকৈ পুৰণি মাধ্যম হিচাপে চলচিত্ৰৰ এক উল্লেখযোগ্য ভূমিকা আছে। চলচিত্ৰৰ এই জনমুখী চৰিত্ৰৰ কথা আমি আওক কৰিব নোৱাৰো। এই অধ্যায়টোত আমি এই গুৰুত্বপূৰ্ণ মাধ্যমটো আৰু ইয়াৰ লগত জড়িত দিশৰ কথা আলোচনা কৰিম।